# বাইবেলৰ মতে আপোনাৰ ল'ৰা-ছোৱালীক সৰ্ব্বশক্তিমান

যদি আপুনি পৌল-তীমথিয় অধ্যয়নৰ, নতুন ৰক্ষকসকলৰ প্ৰশিক্ষক
A0f পঢ়া নাই, তেনেহ'লে এতিয়াই পঢ়ক।

**প্ৰাৰ্থনাঃ** "প্ৰিয় প্ৰভু, যিহোচুৱাৰ দৰে আপোনাৰ বাধ্য হোৱাটো আমাৰ ল'ৰা-ছোৱালীক শিকাবলৈ পিতৃ-মাতৃক সহায় কৰক।

বৰ্ত্তমানৰ প্ৰয়োজন আৰু থলুৱা ৰীতি নিয়মত খাপ খোৱা কামবোৰ বাচি লওক।

**১। প্ৰাৰ্থনা ও ঈশ্বৰৰ বাক্যৰে ল'ৰা-ছোৱালীক শিক্ষা দিবলৈ আপোনাৰ অন্তৰ প্ৰস্তুত কৰক।**

**আগৰ কথা ঃ** মিচৰৰ দাসত্বৰ পৰা তেওঁৰ লোকবিলাকক ঈশ্বৰে ৰক্ষা কৰাৰ পিছত, তেওঁলোকে ঈশ্বৰৰ প্ৰতিজ্ঞাৰ দেশত প্ৰৱেশ নকৰি তেওঁৰ অবাধ্য হৈছিল। তাত বাস কৰা দেৱপূজক সকলক তেওঁলোকে ভয় কৰিছিল। তেওঁলোকৰ অবিশ্বাসৰ কাৰণে পবিত্ৰ জনাই মৰুভূমিত তেওঁলোকক ৪০ বছৰ কাল ঘূৰি ফুৰিবলৈ দিলে। পিছত তেওঁলোকে যৰ্দ্দন নদী পাৰ হোৱাত এক ঐতিহাসিক ঘটনা ঘটিল, কাৰণ অৱশেষত প্ৰতিজ্ঞাৰ দেশত প্ৰৱেশ কৰিবলৈ ঈশ্বৰৰ লোকবিলাকৰ বিশ্বাস ও সাহস হ'ল।

**যিহোচূৱা ৩ঃ১৪-৪ঃ৬ ...**

- যৰ্দ্দন নদীৰ পাৰত শিলবোৰ থবলৈ ঈশ্বৰে তেওঁৰ লোকবিলাকক কিয় কৈছিল। *(উত্তৰ ৪ঃ৬-৭। নিস্তাৰ পৰ্ব্বৰ নিচিনা, শিলবোৰে, ঈশ্বৰে কৰা মহৎ কৰ্ম্ম সোঁৱৰণ কৰাত সন্তানবিলাকক সহায় কৰিছিল। যাত্ৰাপুস্তক ১২ঃ২৬-২৭ পদৰ লগত ৰিজাই চাওক।)*
- কোন ইস্ৰায়েলীয়াবিলাক প্ৰথমে যৰ্দ্দন নদীত নামিছিল? ই কিয় উল্লেখনীয়?
*(উত্তৰ ঃ যিহেচুৱা ৩ঃ১৪ -পবিত্ৰ নিয়ম চন্দুক বৈ নিয়া পুৰোহিত বিলাকে প্ৰথমে গৈছিল। ইয়াৰ দ্বাৰাই ঈশ্বৰৰ উপস্থিতি বুজাইছিল, সেই নিয়ম চন্দুক তেওঁলোকৰ আগে আগে যোৱা মানে, স্বৰ্গত থকা আমাৰ প্ৰতিজ্ঞাৰ দেশলৈ পথ মুকলি কৰি যিদৰে যীচু আমাৰ আগে আগে যায়।)*
- নিয়ম চন্দুক বৈ নিয়া পুৰোহিতবিলাকে নদীত ভৰি দিয়া লগে লগে কি ঘটিল? *(যিহোচুৱা ৩ঃ১৫)*
- নদীৰ মাজৰ পৰা ১২ গৰাকী চলাওঁতাই কি ল'লে? *(যিহোচুৱা ৪ঃ৩)*
- চলাওঁতা কেইগৰাকীয়ে নদীৰ পৰা শিলবোৰ নি ক'ত থলে? *(যিহোচুৱা ৪ঃ৮)*



ল'ৰা-ছোৱালী শাস্ত্ৰসন্মত দিহা-পৰামৰ্শ আৰু সু-শাসন দিয়ক।

- ল'ৰা-ছোৱালীৰ পিতৃবিলাকে তেওঁলোকক প্ৰশিক্ষণ দিয়ক *(ইফি ৬ঃ৪)*।
- ল'ৰা-ছোৱালীৰ লগত সদায় প্ৰাৰ্থনা ও বাইবেল অধ্যয়ন কৰক *(দ্বিতীয় বিৱৰণ ৬-৭ অধ্যায়)*
- পুৰুষানুক্ৰমে আপোনাৰ সন্তানবিলাকৰ আগত ঈশ্বৰৰ বাক্য বৰ্ণনা কৰিবলৈ দিয়ক *(গীতমালা ৭৮ঃ৩-৭)*
- ঈশ্বৰৰ বাক্যৰ পৰা পোনপটীয়াকৈ সন্তানবিলাকক শিক্ষা দিয়ক *(দ্বিতীয় বিৱৰণ ৩১ঃ১২)*। বাইবেলৰ গল্পবোৰ তেওঁবিলাকক কওঁক।

- কণ কণ শিশুহঁতক কৰি দেখুৰাবলৈ দিয়ক। নোহৰ বিষয়ে কওঁতে, সিহঁতক জন্তুৰ ভাওবোৰ কৰিবলৈ দিয়ক। যেনেঃ শহাৰ দৰে জপিয়াবলৈ, সিংহৰ দৰে গুজৰিবলৈ।
- সৰু ল'ৰা-ছোৱালীয়ে ক্ষন্তেক সময়লৈ মন দিব পাৰে, সেয়ে দীঘলীয়া গল্প শুনাত সিহঁতক জোৰ নকৰিব।
- ডাঙৰবোৰে সৰু ল'ৰা-ছোৱালীক শিকাওক। একে বয়সৰ ল'ৰা-ছোৱালীক একেলগে থোৱাৰ পৰা সদায় বিৰত থাকিব।
- ডাঙৰ ল'ৰা-ছোৱালীক নতুন বস্তু সাজিবলৈ আৰু বাইবেলৰ গল্পবোৰৰ নাটক কৰিবলৈ আৰু খেল খেলিবলৈ দিয়ক।
- অতি গুৰুতৰ বিষয়ৰ নিমিত্তে বয়সীয়া সকলৰ লগ লাগি ল'ৰা-ছোৱালীক প্ৰাৰ্থনা কৰিবলৈ দিয়ক, ইজ্ৰা ১০ঃ১; ২ বংশাৱলী ২০ঃ১২-১৩।
- পবিত্ৰ সেৱা কাৰ্য্য আৰু ধৰ্ম্মানুষ্ঠান উৎসৱত বয়সীয়াসকলৰ লগত ল'ৰা-ছোৱালীক যোগদান দিবলৈ, নহিমিয়া ১২ঃ৪৩।
- গুৰুত্বপূৰ্ণ উপাসনাত ঈশ্বৰৰ প্ৰশংসা কৰিবলৈ বয়সীয়া সকলৰ লগত ল'ৰা-ছোৱালীক যোগদান দিবলৈ দিয়ক, গীতমালা ১৪৮ঃ১৩-১৪; মথি ২১ঃ১৫-১৬।
- বয়সীয়া সকলৰ লগত ল'ৰা-ছোৱালীক যীচুৰ শিক্ষা শুনিবলৈ দিয়ক, মথি ১৪ঃ২১।
- ল'ৰা-ছোৱালীয়ে বেয়া কৰ্ম্ম কৰিলে, সিহঁতক খঙেৰে নহয়, মৰমেৰে শুধৰাব, হিতোপদেশ ২৩ঃ১৩; ইব্ৰী ১২ঃ৬-১১।
- সন্তানবিলাকক খঙ তোলাৰ পৰা বিৰত থাকক। পিতৃ-মাতৃ অথবা সন্তানক ঘিন কৰিলে শাও পায়, ইফিচীয়া ৬ঃ১-৪; মলাখী ৪ঃ৬।
- নিৰ্দোষী ল'ৰা-ছোৱালীক অপৰাধজনক কৰ্ম্ম কৰোৱাৰ পৰা বিৰত থাকক, মথি ১৮ঃ১-৬।
- যীচুৰ প্ৰেম আৰু ক্ষমাৰ নিশ্চয়তা ল'ৰা-ছোৱালীক দিয়ক, মাৰ্ক ১০ঃ১৩-১৬।
- পালকৰ কৰ্ম্মৰ পৰিচৰ্য্যা কৰক যদিহে কেৱল আপুনিও নিজৰ সন্তানবিলাকক শুধৰায়, ১তীমথিয় ৩ঃ৪-৫।

২। **সপ্তাহটোত কৰিবলগীয়া কামবোৰৰ আঁচনি সহকৰ্ম্মীসকলৰ লগত কৰক।**

- ঘৰত সন্তানবিলাকক কিদৰে শিকাব লাগে তাকে দেখুৱাবলৈ পিতৃ-মাতৃবিলাকক পৰিদৰ্শন কৰক।
- ১ম খণ্ডৰ তালিকাত থকা নিৰ্দ্দেশাৱলী ব্যৱহাৰ কৰিবলৈ ল'ৰা-ছোৱালীক শিক্ষা দিয়াসকলক পৰামৰ্শ দিয়ক।
- কাৰ্য্যাৱলীত ভাগ ল'বলৈ অখ্ৰীষ্টিয়ান ল'ৰা-ছোৱালীক আমন্ত্ৰণ জনাওক, যিবিলাক কৰি তেওঁলোকে আনন্দ উপভোগ কৰিব।

৩। **হ'বলগীয়া উপাসনা সময়ৰ কাৰ্য্যৱলীৰ আঁচনি সহ-কৰ্ম্মী সকলৰ লগত কৰক।**

**বৰ্ণনা কৰক,** যৰ্দ্দন নদীৰ দাঁতিত শিলবোৰৰ দম কৰিবলৈ ঈশ্বৰে কিয় তেওঁৰ লোকবিলাকক কৈছিল (১ম খণ্ড চাওক)।

**বৰ্ণনা কৰক,** সন্তানবিলাকক খ্ৰীষ্টিয় পৰামৰ্শ আৰু সুশাসন কিদৰে দিব (১ম খণ্ড চাওক)।

যৰ্দ্দন নদী পাৰ কৰাৰ কিছু অংশ নাটক কৰি দেখুৱাওক। ল'ৰা-ছোৱালীক সহায় কৰিবলৈ কওক।

- বয়সীয়াসকলক এইবোৰ দিয়ক, **বৰ্ণনাকাৰী, যিহোচূৱা** আৰু **শিল কঢ়িওৱা লোক**। নাটক পৰিবেশন কৰা মাজ মজিয়াত ডাঙৰ শিলবোৰ থৈ দিয়া আছে।
- ল'ৰা-ছোৱালীক ইস্ৰায়েল লোকবিলাকৰ কিছু অংশ আৰু চাৰি গৰাকী পুৰোহিতৰ ভাওবোৰ দিয়ক (এটা ডাঙৰ বাকচ কঢ়িওৱাৰ ভাও দিয়ক)।

**বৰ্ণনাকাৰীঃ** গল্পটোৰ ১ম ভাগ কওক (যিহোচূৱা ৩ঃ১৪-১৭)। এতিয়া কোৱা, "প্ৰতিজ্ঞাৰ দেশত প্ৰৱেশ কৰিব খোজা ইস্ৰায়েলবিলাকক যিহোচূৱাই কি কৈছে শুনক।"

**যিহোচূৱা ঃ** "আমি যৰ্দ্দন নদী পাৰ কৰিম। ই উপচি আছে, কিন্তু ঈশ্বৰে আমাক শুকান ভূমিয়েদি পাৰ হ'বলৈ দিব। তেওঁ কি কৰে চাই থাকক। পুৰোহিত সকলে ঈশ্বৰৰ নিয়ম চন্দুক বৈ নিলে। আৰু পানীত তেওঁবিলাকৰ ভৰি দিলে।"

**চাৰিগৰাকী পুৰোহিত ঃ** মূৰত তুলি নিয়া বাকচেৰে শিখিনিৰ ওচৰলৈ খোজ লয়। আৰু কয়, "চোৱা! পানীখিনি দম হৈছে! (নদীৰ সিপাৰে, শিলখিনি পাৰ হৈ যায়।)

**ইস্ৰায়েলবিলাক (যিকোনো সংখ্যাৰ) ঃ** নদীৰ সিপাৰে পুৰোহিতবিলাকক অনুসৰণ কৰক। "চোৱাহঁক, যৰ্দ্দনৰ মাজত শুকান ভূমি!" "আমি শুকান ভূমিয়েদি খোজ কাঢ়িব পাৰিম।"

**শিল কঢ়িওৱা লোক আৰু যিহোচূৱা ঃ** নদীখন পাৰ হওঁতে ল'ৰা-ছোৱালী বিলাকক অনুসৰণ কৰক। এতিয়াই শিলবোৰ তুলি নলব। এইদৰে কওক, "ঈশ্বৰে নদীৰ পানী ধৰি ৰাখিছে!" "ই অতিকৈ আচৰিত!" "ঈশ্বৰে আমাক সহায় কৰিছে!"

**বৰ্ণনাকাৰী ঃ** যিহোচূৱা ৪ঃ১-৭ পদৰ পৰা গল্পটোৰ ২য় খণ্ড কওক। ইস্ৰায়েলৰ ১২ ফৈদৰ চলাওঁতাসকলক যিহোচূৱাই কি কৈছে শুনক!"

**যিহোচূৱা ঃ** "আটাইবিলাকে নদীখন পাৰ হ'ল, এতিয়া নদীৰ মাজৰ পৰা ডাঙৰ শিলবোৰ আনিবলৈ ১২ গৰাকী পৰাক্ৰমী মানুহ বাচি লওঁক। আজি ঈশ্বৰে কি কৰিলে, আমাৰ ল'ৰা-ছোৱালী বিলাকলৈ এই শিলবোৰ সৰ্ব্বদায় সোঁৱৰণত সহায় হ'ব।"

**শিল কঢ়িওৱা সকল ঃ** শিলবোৰ আনা। শিলবোৰ বৰ গধুৰ এনে ভাও ধৰা। পুৰোহিত থিয় হৈ থকা কাষতে দম কৰি থোৱা।

**ইস্ৰায়েল বিলাক ঃ** দম হৈ থোৱা এই শিলবোৰৰ অৰ্থ কি?

**যিহোচূৱা ঃ** "আজি আপোনালৈ ঈশ্বৰে কি কৰিলে, তাকে সুৱঁৰিবৰ অৰ্থে।

**বৰ্ণনাকাৰী ঃ** নাটকৰ শেষত সহায়কাৰী আটাইকে ধন্যবাদ জ্ঞাপন কৰক।

**আলোচনা কৰক,** আমি ঈশ্বৰৰ কাৰ্য্য সোঁৱৰণ কৰাৰ আন আন উদাহৰণবোৰ।

**বিশ্বাসীসকলক সাক্ষ্য দিবলৈ কওক,** ঘৰত সন্তানবিলাকক শিক্ষা দিয়াটো কেনেকৈ আশীৰ্ব্বাদৰ কাৰণ হৈছে।

**ল'ৰা-ছোৱালীয়ে** প্ৰস্তুত কৰা সকলো পৰিবেশন কৰিবলৈ দিয়ক।

**প্ৰভুৰ ভোজ** স্থাপন কৰিবলৈ লূক ১১ঃ১০-১৩ পঢ়ক। প্ৰভুৰ ভোজ এক উত্তম দানৰূপে যে আমাৰ স্বৰ্গীয় পিতৃয়ে তেওঁৰ সন্তানবিলাকক দিছে, বৰ্ণনা কৰক।

একেলগে **মুখস্থ কৰক,** ইফিচীয়া ৬ঃ৪।

প্ৰাৰ্থনা, ঘৰত আৰু সভাবিলাকত ল'ৰা-ছোৱালীক শিকোৱাৰ আঁচনি আৰু ইজনে সিজনক উৎসাহিত কৰিবলৈ দুই বা তিনি জনীয়া **দলবোৰ গঠন** কৰক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.